# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-11-2024 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এলিভেটেড ক'ৰিডৰৰ নিৰ্মাণ কাৰ্য অহা চাৰি-পাঁচ মাহৰ ভিতৰতে আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। ২০২৫ বৰ্ষৰ নৱেম্বৰৰ ভিতৰত সোণাপুৰৰ টেপেচিয়াত নিৰ্মীয়মান বিজ্ঞান নগৰী কাৰ্যক্ষম কৰি তোলাৰ বাবে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটৰ বিশেষ তৎপৰতা।

৩। ৰাজ্য চৰকাৰে শেহতীয়াভাৱে অনুষ্ঠিত কৰা প্ৰত্যক্ষ নিযুক্তি প্ৰক্ৰিয়াৰ পাছত বিদ্যালয়সমূহত নতুনকৈ আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰী নিয়োগ নকৰাৰ সিদ্ধান্ত গ্ৰহণ।

৪। ৰাজ্যৰ বিশিষ্ট সাংবাদিক বুলন কুমাৰ শইকীয়াৰ দেহাৱসান। সংবাদ জগতত শোকৰ ছাঁ।

**আৰু**

৫। ছয়ীদ মুস্তাক আলী ছিনিয়ৰ ৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত এখন খেলত চণ্ডিগড়ৰ বিৰুদ্ধে অসমৰ জয়লাভ।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এলিভেটেড ক'ৰিডৰৰ নিৰ্মাণ কাৰ্য অহা চাৰি-পাঁচ মাহৰ ভিতৰতে আৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি কাজিৰঙা আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাত অংশ লৈ এই কথা প্ৰকাশ কৰে। প্ৰকল্পৰ চূড়ান্ত অনুমোদনৰ বাবে শীঘ্ৰে মন্ত্ৰী সভাত প্ৰস্তাৱ দাখিল কৰা হ'ব। পৰ্যটন মেলাত কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটৰ সৈতে এখন সংবাদ মেলাৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰকল্পৰ চূড়ান্ত অনুমোদনৰ প্ৰস্তাৱ মন্ত্ৰী সভাত দাখিলৰ পাছতে বহু প্ৰত্যাশিত এলিভেটেড ক'ৰিডৰৰ নিবিদা জাৰি হোৱাৰ সম্ভাৱনা আছে। ইতিমধ্যে কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে এই প্ৰকল্পটোৰ বাবে প্ৰায় সকলোখিনি প্ৰাৰম্ভিক কাম সম্পূৰ্ণ কৰি তোলা বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। প্ৰায় ৬ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ক'ৰিডৰে বিশেষকৈ বাৰিষা বানৰ সময়ত বন্য জীৱ-জন্তু প্ৰব্ৰজন কৰাৰ সময়ত সুৰক্ষা প্ৰদান কৰিব।

**-বাইট-**

০০০০০০

ৰাজ্য চৰকাৰে শেহতীয়াভাৱে অনুষ্ঠিত কৰা প্ৰত্যক্ষ নিযুক্তি প্ৰক্ৰিয়াৰ পাছত বিদ্যালয়সমূহত নতুনকৈ আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰী নিয়োগ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তাৰ পৰিৱৰ্তে এই শ্ৰেণীৰ পদৰ বাবে ব্যক্তিগত নিযুক্তি সংস্থাৰ জৰিয়তে এম টি এছ অৰ্থাৎ মাল্টি টাস্কিং ষ্টাফ নিয়োগ কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গুৱাহাটীত এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই ধৰণৰ মাল্টি টাস্কিং ষ্টাফ নিযুক্তিৰ ক্ষেত্ৰত শিক্ষা বিভাগে নিজাকৈ কোনো ভূমিকা পালন নকৰে। এই নিয়োগৰ ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষৰ ওপৰতে সম্পূৰ্ণ কৰ্তৃত্ব থাকিব। শিক্ষামন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত লগতে কয়, যে চতুৰ্থবৰ্গৰ পদৰ বাবে পূৰ্বে দিয়া নিযুক্তিত কোনো এখন জিলাৰ বিদ্যালয়ত অন্য জিলাৰ নিবনুৱাই নিযুক্তি লাভ কৰিলে সংশ্লিষ্ট অঞ্চলৰ লোকে আপত্তি দৰ্শাইছিল। কিন্তু মাল্টি টাস্কিং ষ্টাফ নিযুক্তিৰ ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষই স্থানীয় নিবনুৱাকে নিযুক্তি দিব পাৰিব। আনহাতে, ৰাজ্য চৰকাৰৰ অধীনত যিসকল চতুৰ্থবৰ্গৰ কৰ্মচাৰী বৰ্তমানে নিয়োজিত হৈ আছে তেওঁলোকৰ কাম পূৰ্বৰ দৰেই অব্যাহত থাকিব বুলি তেওঁ উল্লেখ কৰে।

ইফালে, শিক্ষা বিভাগত ভৱিষ্যতে আৰু ঠিকাভিত্তিক শিক্ষক নিযুক্তিও প্ৰদান কৰা নহ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এতিয়াৰে পৰা কেৱল নিয়মীয়া টেট শিক্ষকৰ পদতহে নিযুক্তি প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ অহা মে' মাহৰ ভিতৰত পুনৰ ৯ হাজাৰ পদৰ বাবে নিযুক্তি প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰে।

০০০০০০০

গোৱাৰ ৰাজধানী পানাজীত চলি থকা ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি সামৰণি পৰিব। আজি অন্তিম দিনা যুৱপ্ৰজন্ম আৰু চিনেমা বিষয়ত কলা একাডেমীত এখন আলোচনা চক্ৰ অনুষ্ঠিত হোৱাৰ লগতে চেক-ইংৰাজী আৰু জাৰ্মান ভাষাত নিৰ্মিত বহদান শ্লামাই পৰিচালনা কৰা ড্ৰাই চিজন শীৰ্ষক চিনেমাখন সামৰণি চিনেমা হিচাপে প্ৰদৰ্শন কৰা হ'ব। উল্লেখযোগ্য যে, চলিত বছৰত অসমীয়া ভাষাৰ তিনিখন চিনেমা ভাৰতীয় পেনোৰমালৈ নিৰ্বাচিত হৈছিল। ইয়াৰ ভিতৰত যদুমণি দত্তই পৰিচালনা কৰা জুইফুল ছবিখন ইউনেস্কো গান্ধী মেডেলৰ কাৰণে প্ৰতিযোগিতা শিতানত অৱতীৰ্ণ হৈছে। ইয়াৰ উপৰি ৰাজেশ ভুঞাৰ পৰিচালনাৰ স্বৰ্গৰথ ২৫বছৰৰ বিৰতিত অসমৰ পৰা মূলসূঁতিৰ শাখালৈ নিৰ্বাচিত হোৱাৰ বিপৰীতে ৰবী শৰ্মা বৰুৱাৰ ৰ'দৰ পাখিও ভাৰতীয় পেনোৰমাত প্ৰদৰ্শন,কৰা হয়। অসমৰ কেনী বসুমতাৰীৰ পৰিচালনাৰে এন এফ ডি চিৰ প্ৰযোজনাৰ বড়ো ভাষাৰ বিবো বিনানাও নামৰ চিনেমাখনো মহোৎসৱত প্ৰদৰ্শিত হয়। চুটি ছবি শিতানত ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিচন প্ৰতিষ্ঠানৰ প্ৰযোজনাৰে চাঙ্গোচিয়া শীৰ্ষক চিনেমাখন ভাৰতীয় পেনোৰমালৈ নিৰ্বাচিত হয়।গোৱাত উপস্থিত থকা বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে খন্তেক সময়ৰ আগতে আমালৈ এই প্ৰতিবেদন পঠিয়াইছে।

-ভইচ-

ধন্যবাদ নয়ন প্ৰসাদ। চলচ্চিত্ৰ মহোৎসৱৰ পৰৱৰ্তী দিন কেইটাৰ বা-বাতৰি আপোনাৰ পৰা লৈ থাকিম।

0000000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মাজুলীক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনাইছে। কাজিৰঙাত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ কালিৰ উদ্বোধনী অনুষ্ঠানত পৰ্যটন আৰু সাংস্কৃতিক দপ্তৰৰ ৰাজ্য মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটক তেওঁ এই আহ্বান জনায়। অসমৰ ঘৰুৱা পৰ্যটন ক্ষেত্ৰ যোৱাটো পৰ্যটন বৰ্ষত ৫৭৫ শতাংশ বৃদ্ধি হোৱা বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয়, যে তৃতীয়বাৰলৈ উত্তৰ পূৰ্বাঞ্চলৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অসমত আয়োজন কৰাটো সন্মানৰ বিষয় আৰু এই উৎসৱে ইউনেস্ক'ৰ বিশ্ব পৰ্যটন ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গৌৰৱ বৃদ্ধি কৰিব। এই মেলাই উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ বিশাল সম্ভাৱনাক অধিক উজ্বল কৰি তোলাৰ লগতে উদ্যোগৰ উপৰি সাংস্কৃতিক বিনিময়, পৰিৱেশ সংৰক্ষণ আৰু অৰ্থনৈতিক উন্নয়নৰ পৰিৱৰ্তনশীল শক্তি হিচাপেও উন্মেষ সাধনত সহায় কৰিব বুলি ড° শৰ্মাই মন্তব্য কৰে।

ইপিনে, পৰ্যটন মেলাখন উদ্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কয়, যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন আৰু আন্তঃগাঁথনি খণ্ডৰ উন্নয়নৰদ্বাৰা অঞ্চলটোৰ অৰ্থনৈতিক প্ৰগতিক সুনিশ্চিত কৰাৰ বাবে বিশেষ গুৰুত্ব দিছে। যোৱা ১০ বছৰত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে পুঁজি আৱণ্টন বৃদ্ধি কৰা বুলি উল্লেখ কৰি তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনক দেশৰ বিকাশৰ বাবে অষ্টলক্ষ্মী আখ্যা দি অঞ্চলটোৰ উন্নয়নৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে।

আনহাতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে যোৱা ১০ বছৰত ৰাজ্যখনৰ পৰ্যটন ক্ষেত্ৰখনৰ ২০০ শতাংশ বৃদ্ধি হোৱা বুলি প্ৰকাশ কৰি ৰাজ্যখনৰ পৰ্যটন ক্ষেত্ৰৰ প্ৰচাৰ কৰাৰ বাবে সশস্ত্ৰ বাহিনীক বিশেষভাৱে ধন্যবাদ জনায়।

উল্লেখযোগ্য যে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে আয়োজন কৰা মেলাখনে উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ লগতে বাণিজ্য তথা উদ্যোগসমূহকো ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় এখন মঞ্চ দিছে। মেলাখনত ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় ট্যুৰ অপাৰেটৰ, হোটেল ব্যৱসায়ী, পৰ্যটন সেৱা আগবঢ়োৱা প্ৰায় ৪০০ প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে।

0000000

অহা ১ ডিচেম্বৰৰ পৰা আকাশবাণী গুৱাহাটীৰ এফ এম ১০০ দশমিক ৮ মেগাহাৰ্টজত, বিবিধ ভাৰতী চেনেলৰ পৰা প্ৰচাৰিত দিনৰ আৰু সন্ধিয়াৰ মুখ্য বাতৰিৰ প্ৰচাৰৰ সময়সূচী সামান্য সালসলনি ঘটোৱা হৈছে। এই অনুসৰি দিনৰ ১০ বাজি ১৫ মিনিটত প্ৰচাৰিত মুখ্য বাতৰি সেইদিনাৰ পৰা পুৱা ৭ বাজি ২৮ মিনিটত আৰু সন্ধিয়া ৬ বাজি ১৫ মিনিটত প্ৰচাৰিত মুখ্য বাতৰি নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰ কৰা হ'ব।

0000000

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত বিভিন্ন বাতৰিয়ে স্থান পোৱা আমাৰ দৃষ্টিগোচৰ হৈছে।

ভাৰতীয় উদ্যোগপতি গৌতম আদানীৰ বিৰুদ্ধে সৌৰশক্তি ক্ৰয়ৰ ক্ষেত্ৰত উৎকোচ প্ৰদান আৰু প্ৰৱঞ্চনাৰ বাতৰিটো আমাৰ অসম কাকতে আদানি উৎকোচ কাণ্ডক লৈ ধুমুহা, দুই সদন স্থগিত শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে অসমীয়া প্ৰতিদিন কাকতে আদানিৰ কেলেংকাৰীক লৈ তৃতীয় দিনাও অচল দুয়ো সদন শিৰোনামাৰে প্ৰথমপৃষ্ঠাত স্থান দিছে।

এতিয়াৰে পৰা বছৰত দুখনকৈ হ'ব বিধানসভাৰ অধিবেশন। চাৰিজনীয়া বিষয়া কমিটীৰ দিহাতে সলনি হ'ল অসম বিধানসভাৰ বিধি নিয়ম। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে বিধানসভাৰ অধিবেশনৰ দিন ৰহস্যজনকভাৱে হ্ৰাস কৰিলে অধ্যক্ষই শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

একেখন কাকতে চুবুৰীয়া দেশ বাংলাদেশত উত্তেজনাই বিৰাজ কৰাক লৈ এটা বাতৰি ইস্কনক সন্ত্ৰাসবাদী আখ্যাৰে বাংলাদেশত নিষিদ্ধকৰণৰ তৎপৰতা চৰকাৰৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কাজিৰঙাত তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে উত্তৰ পূব দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা। দেশী-বিদেশী পৰ্যটকৰ আগমণ ঘটা মেলাত কেইবাগৰাকী মন্ত্ৰী বিধায়কৰ লগতে মুখ্যমন্ত্ৰীৰো অংশগ্ৰহণ। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে International Trousium Mart Inauguarted in Kaziranga শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি, দৈনিক অগ্ৰদূতকে ধৰি প্ৰায়বোৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম শক্তি বিতৰণ কোম্পানী লিমিটেড এ পি ডি চি এলত চলিত বিত্তীয় বৰ্ষত ২৫০ কোটি টকা লাভ কৰাক লৈ এটা বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ শিক্ষা বিভাগত ভৱিষ্যতে আৰু ঠিকাভিত্তিক নিযুক্তি দিয়া নহয় বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণাৰ এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

এতিয়া পুনৰ উভতিছো বাতৰিৰ মাজলৈ।

০০০০০০০

অসমৰ এগৰাকী বিশিষ্ট সাংবাদিক বুলন কুমাৰ শইকীয়াৰ আজি পুৱতি নিশা তেওঁৰ নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটিছে। নীতিনিষ্ঠ, আপোচহীন সাংবাদিকগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৪৮ বছৰ। দীৰ্ঘদিন ধৰি যকৃতৰ ৰোগত ভুগি থকা বুলন কুমাৰ শইকীয়াই সাংবাদিকতাৰ লগতে সাহিত্যিক, নিবন্ধকাৰ আৰু কবি ৰূপেও অসমীয়া সাহিত্য জগতত সু-পৰিচিত আছিল। দৈনিক জনমভূমি, আমাৰ অসম, অসমীয়া প্ৰতিদিন আদি কাকতত সাংবাদিকতা কৰাৰ পাছত তেওঁ অধুনালুপ্ত এন ই টি ভিত টেলিভিছন সাংবাদিকতা আৰম্ভ কৰে। তেওঁ কিছুদিন ডি ৱাই থ্ৰী ছিক্স ফাইভ চেনেলত আৰু পৰৱৰ্তী কালত এন কে টি ভি চেনেলত সুখ্যাতিৰে সাংবাদিকতা কৰে। তেওঁ গ্ৰাউণ্ড নিউজ নামেৰে এটা নিউজ প'ৰ্টেল আৰু পযেকীয়া সোমবাৰ আৰু খবৰ চাৰিদিশ নামৰ এখন পযেকীয়া কাকতো সম্পাদনা কৰিছিল। অসমৰ থলুৱা খাদ্য ৰীতি সম্পৰ্কত 'আমাৰ জুটি বুধি' শীৰ্ষক গ্ৰন্থ আৰু ৰাজ্যৰ ভূ-ৰাজনীতি বিষয়ক তেওঁৰ 'আৰাকান ইণ্টেল' শীৰ্ষক উপন্যাসখনে তেওঁক অসমীয়া সাহিত্য জগতত সুপৰিচিত কৰি তুলিছিল। ভগৱান বুদ্ধৰ আদৰ্শৰে অনুপ্ৰাণিত বুলন শইকীয়া বৌদ্ধ ধৰ্ম সম্পৰ্কতো প্ৰচুৰ অধ্যয়নপুষ্ট আছিল। তেওঁৰ মৃত্যুত অসমৰ সংবাদ জগতত শোকৰ ছাঁ পৰিছে।

০০০০০০০

ছয়ীদ মুস্তাক আলী ছিনিয়ৰ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত এখন খেলত অসমে চণ্ডিগড়ৰ বিৰুদ্ধে জয়লাভ কৰিছে। দিবা-নৈশ খেলত অসমে চণ্ডিগড়ক ১১ ৰানৰ ব্যৱধানত পৰাস্ত কৰে। বিশাখাপট্টনমত অনুষ্ঠিত খেলখনত প্ৰথমে বেটিং কৰি অসমে ১৯ অ'ভাৰ এটা বলত ১৫০ ৰান কৰে। দলৰ হৈ ছাহিল জৈনে ৪টা ছিক্সাৰ মাৰি ৫১ আৰু সুমিতে তিনিটা ছিক্সাৰেৰে ৪২ ৰান কৰে। কিন্তু অসমে অন্তিম ৯ ৰানৰ ভিতৰত ৬ টা উইকেট হেৰুৱাত সম্পূৰ্ণ ২০ অ'ভাৰ বেটিং কৰাত বিফল হয়। চণ্ডিগড়ৰ হৈ সন্দীপ শৰ্মাই ৪টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত চণ্ডিগড়েও আৰম্ভণিৰ পৰাই ধাৰাবাহিক ৰূপত উইকেট হেৰুৱাই ১৯ অ'ভাৰ এটা বলত ১৩৯ ৰান কৰি পৰাজয় স্বীকাৰ কৰে। ক্ৰমাগত দুখন খেলত জয়লাভ কৰি উন্নীত ৰান ৰেটৰ গড় হিচাপত অসমে ৮ পইণ্টেৰে নিজ গ্ৰুপৰ শীৰ্ষ স্থানত আছে। উল্লেখযোগ্য যে ডি গ্ৰুপত স্থান লাভ কৰা অসম ক্ৰিকেট দলে ইয়াৰ পূৰ্বে প্ৰথমখন খেলত ৰে'লৱে দলক ৩ উইকেটত পৰাস্ত কৰিছিল। অসমে পৰৱৰ্তী খেলখন কাইলৈ বিদৰ্ভৰ বিৰুদ্ধে খেলিব।

০০০০০০০

**সমাপ্ত**